# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 15-02-2025**
**Time :** 21-25 Hrs

# Assamese Night Bulletin

::::::::::::::::::::::::::::::::

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া বিনিয়োগ সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে বৰ্তমানলৈ ৭ হাজাৰো অধিক প্ৰতিষ্ঠানে পঞ্জীয়ন কৰিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰকাশ কৰিছে। এডভাণ্টেজ আচামৰ প্ৰস্তুতি সন্দৰ্ভত আজি জনতা ভৱনত এখন সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় কয়, যে জাপানে অসমত এটা ভাষাকেন্দ্ৰ স্থাপন কৰিব। এই কেন্দ্ৰত ৯ মাহৰ বাবে বিশেষ প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হ'ব। প্ৰশিক্ষণ লোৱা লোকসকলে ভাৰতত থকা জাপানৰ প্ৰতিষ্ঠানসমূহত কাম কৰাৰ লগতে ৫০ হাজাৰ যুৱক-যুৱতীয়ে জাপানতো চাকৰি লাভ কৰিব।

এই সন্দৰ্ভত অসম চৰকাৰে জাপানৰ সৈতে শীঘ্ৰেই এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব। জাপানৰ লগতে ছিংগাপুৰতো অসমীয়া যুৱক-যুৱতীৰ বাবে নিযুক্তিৰ পথ মুকলি হ'ব বুলি তেওঁ কয়। ৰাজ্যৰ চৰকাৰী নাৰ্ছিং মহাবিদ্যালয়সমূহত ছিংগাপুৰে ইংৰাজী বিষয়ক পাঠদান আগবঢ়াবলৈ আগ্ৰহী বুলি সংবাদমেলত মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে। বৰ্তমানৰ নামৰূপ সাৰ কাৰখানা পৰিসৰতে ১ দশমিক ২ নিযুত মেট্ৰিক টন উৎপাদনক্ষম ইউৰিয়া প্ৰকল্প স্থাপন কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে।

ইপিনে, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই আজি বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰী কেশৱ মহন্ত আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচাৰ সৈতে এডভাণ্টেজ আচামৰ আসন্ন সংস্কৰণৰ সফল ৰূপায়ণক লৈ আলোচনা কৰে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যৰ উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ৫৮ গৰাকী সহকাৰী অধ্যাপক আৰু মাধ্যমিক শিক্ষাৰ অধীনত ৪ হাজাৰ ৫২৯ গৰাকী অতিৰিক্ত ঠিকাভিত্তিক শিক্ষকক নিয়মীয়া শিক্ষকৰূপে স্থায়ী নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। ২০১০ চনত ঠিকাভিত্তিত এই সকলক শিক্ষকে নিযুক্তি লাভ কৰিছিল।

অনুষ্ঠানত শিক্ষা মন্ত্ৰী ড০ ৰণোজ পেগুৰ লগতে শিক্ষা বিভাগৰ বহুকেইগৰাকী উচ্চপদস্থ বিষয়াও উপস্থিত থাকে।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক তথা অসমৰ দায়িত্বত থকা দলৰ সহতত্বাৱধায়ক মনোজ চৌহানৰ বিৰুদ্ধে মান হানিৰ গোচৰ ৰুজু কৰে। শ্ৰীচৌহানে যোৱা এঘাৰ ফেব্ৰুৱাৰীত গুৱাহাটীৰ এখন

সংবাদমেলত মুখ্যমন্ত্ৰীয়ে ডুবাই আৰু ছিংগাপুৰত শ্বপিং মল আৰু হোটেলৰ ব্যৱসায়ত ধন বিনিয়োগ কৰা বুলি অভিযোগ কৰিছিল। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদকগৰাকীৰ এনে ভিত্তিহীন অভিযোগৰ পৰিপ্ৰেক্ষিততে ডঃ শৰ্মাই এই মানহানিৰ গোচৰ ৰুজু কৰিছে। আদালতে এটা গোচৰ ৰুজু কৰি চৌহানক ১৭ মাৰ্চত আদালতত উপস্থিত হ'বলৈ নিৰ্দেশ দিছে।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই দেশৰ বৈচিত্ৰ্য সংস্কৃতি আৰু ভাষাৰ প্ৰতি সন্মান কৰিবলৈ শিক্ষাৰ্থীসকলৰ প্ৰতি আহ্বান জনাইছে। গুৱাহাটীৰ ৰাজভৱনত আজি আচাম ৰাইফলছৰ ৰাষ্ট্ৰীয় সংহতি ভ্ৰমণৰ অধীনত অহা নামচাইৰ অৰুণাচল বিশ্ববিদ্যালয়ৰ ৩০ গৰাকী ছাত্ৰীৰ এটা গোটৰ সৈতে হোৱা কথোপকথনৰ সময়ত ৰাজ্যপালগৰাকীয়ে এইদৰে আহ্বান জনায়। শৈক্ষিক ভ্ৰমণৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি ৰাজ্যপাল আচাৰ্য্যই কয়, যে এনেধৰণৰ ভ্ৰমণৰ পৰা লাভ কৰা শিকনিয়ে ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত চালিকা শক্তিৰূপে পৰিগণিত হ'ব পাৰে। ৰাজ্যপালগৰাকীয়ে লগতে বিদ্যাৰ্থীসকলক কঠোৰ পৰিশ্ৰমেৰে শিক্ষাত ব্ৰতী হবলৈ আহ্বান জনায়।

০০০০

কেন্দ্ৰ আৰু অসমত শাসনাধিস্থিতিত এন ডি এ চৰকাৰে বড়ো জনগোষ্ঠীৰ সৱলীকৰণ আৰু জনগোষ্ঠীটোৰ লোকসকলৰ আশা আকাংখ্যা পূৰণৰ বাবে নিৰলসভাৱে প্ৰয়াস চলাই আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। এই প্ৰচেষ্টা ইয়াতকৈও ব্যাপকৰূপত অব্যাহত থাকিব বুলি তেওঁ মন্তব্য কৰে। পৰহিলৈ কোকৰাঝাৰত অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী ৰূপায়ণ সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত দিয়া বাৰ্তাৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে পৰহিলৈ কোকৰাঝাৰত এদিনীয়াকৈ এই অধিৱেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্তক প্ৰশংসা কৰে।

০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নাৰায়ণপুৰৰ বৰদেউৰী গাওঁত অৱস্থিত কুন্দি-কু অৰ্থাৎ দেওশালৰ নৱ নিৰ্মিত কুন্দিকু গৃহ উন্মোচন কৰে। এই দেওশালখনৰ ৪০০ বছৰীয়া জয়ন্তী কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। আজিৰ উন্মোচনী সভাত সাংসদ ৰণজিৎ দত্ত, বিধায়ক অমিয় কুমাৰ ভূঞা, দেউৰী পৰিয়ালৰ মুখ্য কাৰ্যবাহী সদস্য ভৈৰৱ দেউৰী, হৰেণ দেউৰী আৰু প্ৰাক্তন বিদায়ক দেৱানন্দ হাজৰিকা প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

সংবাদ মাধ্যমৰ ধামখুমিয়াৰ মাজতো ৰেডিঅ'ৰ স্বকীয়তা বৰ্তাই ৰাখি অনন্য ৰূপত অনুষ্ঠান প্ৰচাৰ কৰি আছে। ৰেডিঅ'ৰ বাতৰি সত্য, নিৰপেক্ষ আৰু নিৰ্ভৰযোগ্য হোৱা বাবেই অগণন শ্ৰোতাই এতিয়াও এই বাতৰিৰ প্ৰতি আস্থা ৰাখি আহিছে। আজি আকাশবাণীৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু কেইবাগৰাকীও শ্ৰোতাই এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে ৰেডিঅ'ৰ বাতৰি আৰু অনুষ্ঠানৰ মান এতিয়াও অক্ষুন্ন আছে আৰু ভৱিষ্যতেও এই মান বৰ্তি থাকিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে।

০০০০

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ ওদালগুৰি জিলাৰ ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য  কাৰ্যসূচী আৰু কিশোৰ স্বাস্থ্য কাৰ্যসূচীৰ জিলা সমন্বয়ক মনোজ বসুমতাৰীৰ আজি বিয়লি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৪ বছৰ। তেওঁ যোৱা কিছুদিন ধৰি যকৃতৰ ৰোগত আক্ৰান্ত হৈ আছিল।

০০০০

সমাপ্ত